# সম্পাদকীয়

"অকস্মাতে মানুহে প্ৰেমত পৰে
যিকোনো সময়ত
অথবা বাটেদি গৈ থাকোঁতে
কিন্তু মানুহে স্বীকাৰ নকৰে
আমি যে একেটা বাটেৰে
গৈ আছে"
- জীৱন নৰহ

সচাঁকৈ প্ৰেম এক আৰ্চৰিত অনুভূতি। আমি প্ৰত্যেকেই প্ৰেমত পৰিছো এদিনৰ বাবে হ'লেও, কাৰোবাৰ স'তে। প্ৰত্যেক মানুহৰবাবে অন্তৰত চিৰন্তন প্ৰেমৰ এক সোঁত বৈ থাকে। প্ৰেম অবিহনে পৃথিৱীৰ সৌন্দৰ্য্য অনুভৱ কৰিব হয়তু নোৱাৰি। প্ৰেমৰ বাবেই ৰচনা হৈছে অলেখ অমৰ গীত, কবিতা ইত্যাদি। প্ৰেমে পৃথিৱী ধুনীয়া কৰে। অমৰ কৰে মানুহৰ সৃষ্টিক। প্ৰেমে সৃষ্টি কৰে যুগ-যুগান্তৰ সেউজীয়া ইতিহাস। কিন্তু সেই প্ৰেম হ'ব লাগিব কাম গন্ধহীন নিস্বাৰ্থ আৰু দেহ গন্ধহীন আৰু সেইয়া প্ৰকৃত আৰু আচল প্ৰেম। তেনে প্ৰেম কৰিব পাৰে বিশ্বৰ মহত্তম সৃষ্টি।

হিয়া দিয়া নিয়াৰ এক অন্তৰঙ্গ মাধ্যম হ'ল প্ৰেম পত্ৰ। যি কথা ক'ব পৰা নাযায় অথচ কোনো নিভৃত কোণত বহি লিখিব পৰা যায় অন্তৰৰ বহু আবেগিক কথা। সেই কথা কেৱল প্ৰেম পত্ৰৰ মাধ্যমেৰে জীৱন্ত হৈ উঠে। বহু মহত্ব প্ৰেম নিবেদিত হৈ আহিছে প্ৰেম পত্ৰৰ দ্বাৰা । প্ৰেমিক প্ৰেমিকাৰ হিয়াত সমস্ত আবেগ, হিয়াৰ সুগন্ধি মিহলি হৈ থাকে এখন প্ৰেম পত্ৰত। যাক লুকাই চুৰকৈ পঢ়ি পাব পাৰি এক অপৰিসীম আনন্দ। অথচ অজি চাম যুৱক-যুৱতীৰ প্ৰেম সীমাৱদ্ধ ম'বাইলৰ এচ. এম. এচ.ৰ মাজত। এতিয়া ল'ৰা-ছোৱালীয়ে প্ৰেম পত্ৰ নিলিখে। ফোন কৰে বহু সময় জুৰি নতুবা এচ. এম. এচ.ৰে হিয়া দিয়া নিয়া কৰে। ই যথেষ্ট ব্যয়-বহুল আৰু আমাৰ দেহৰ বাবে ক্ষতিকাৰক। আনহাতেদি হিয়াৰ আবেগত লিখা প্ৰেম পত্ৰ আজি বিলুপ্তিৰ পথত।

আমি প্ৰত্যেকেই জানো দেহক বাদ দি প্ৰেম হ'ব নোৱাৰে। প্ৰেম প্ৰকাশৰ বাবে দেহৰো আৱশ্যক। কিন্তু দেহ সৰ্বস্বই প্ৰেম নহয়। প্ৰেমে আমাক সংকীৰ্ণতাৰ পৰা মুক্ত কৰে। প্ৰেমে শত্ৰুকো ভাল পাবলৈ শিকায়, ক্ষমা কৰিবলৈ শিকায়। এই প্ৰেমৰ বন্দনাৰেই মানুহৰ নশ্বৰ দেহে লাভ কৰে অমৰত্ব।

আমি প্ৰেম কৰো আহক। প্ৰত্যেকেই প্ৰত্যেকৰ সৈতে প্লেটনিক প্ৰেম, অতীন্দ্ৰিয় প্ৰেম। য'ত এজনে আনজনৰ ওপৰত অধিকাৰ সাব্যস্ত নকৰে, দাবী নকৰে, নকৰে আশা প্ৰতিদানৰ। যি প্ৰেমত নাথাকে চুই চোৱা দুৰন্ত বাসনা। চকুত চকু ৰাখি সমস্ত হাবিয়াস পূৰ্ণ হয় এই প্ৰেমত।

পৃথিৱীখন সুন্দৰ কৰাৰ মানসেৰে আমি প্লেটনিক প্ৰেমৰ গৰাকী হওঁ আহক। যাৰ বাবে মানুহৰ হৃদয়বোৰ হৈ পৰিব ফুলৰ দৰে নিস্পাপ আৰু অহংকাৰ বিহীন। যাৰ বাবে পৃথিৱীখন প্ৰেমৰ স্পৰ্শত চিৰসেউজ হৈ পৰিব। চাৰিওদিশে উৰিব এখন প্ৰেমৰ অদেখা নিচান।

প্ৰেমৰ ৰাতিবোৰ দীঘল হোৱাই ভাল
ৰেলৰ আলিৰ দৰে
ন'হলে কথাবাৰ্ত্তা
উশাহৰ স্পন্দনবোৰ
হেৰাই যায়
মিলনৰ কোঠাত।

— ৰুস্তম গগৈ

প্ৰথম পৃষ্ঠাৰ পৰা

## জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কবিতাত

-- অসমী আইৰ বাবে বীৰ লাচিতৰ দৰে চোকা তৰুৱাল লৈ শত্ৰু সেনা আগছিৱৈলৈ সদায় সাজু কবি আগৰৱালাদেৱ। গছ-বন, নদ-নদী ভালপোৱা কবিয়ে শুভ্ৰকেশী কাঞ্চনজঙ্ঘাৰ শৃংগত থিয় হৈ বুটলি চাব বিচাৰিছে কাঞ্চনজঙ্ঘাৰ সুখ-দুখ। তেওঁ অনুভৱ কৰিছে যুগে যুগে থিয় হৈ থকা কাঞ্চনজঙ্ঘাৰ কথা এনেদৰে—

অতীতৰো অতীতৰ
যি মহা অতীতে
বৰ্তমান ভেদি, ভৱিষ্যতলৈ যায়......

ৰূপান্তৰেৰে জগত শুৱনি কৰিব খোজা কবিয়ে অগ্নিনৃত্যত জ্বলাই পেলাব খোজে ভিকহুৰ ঘৰ, উৰাব খোজে ৰজাৰ কাৰেং। আকৌ সেই উত্তাপৰ উমেৰেই জীৱনৰ হাঁহি ফুলাব বিচাৰে। সেয়ে কৈছে—

লেলিহান জুই জ্বলে
মোৰ এই অগ্নি নৃত্যত
মোৰ তাপ উমৰেই
জীৱনৰ হাঁহিটি ফুলাওঁ
—চিৰ বিদ্ৰোহী

কবি আগৰৱালাদেৱ সচকিত হৈ উঠি অসমৰ প্ৰতিজন ৰণুৱা, ডেকা-গাভৰুলৈ আহ্বান জনাইছে তেওঁৰ কবিতাৰ জৰিয়তে অসমী আইক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ— শত্ৰুৰ মিথ্যাচাৰ

যদিহে নোৱাৰ কৰিব খৰ্ব্ব
মিছা তোৰ জ্ঞান-গৰ্ব্ব।

মুলা গাভৰুৰ দেশৰ নাৰীসকলক আহ্বান কৰি আকৌ কৈছে—

অসমীয়া যুঁজাৰুৰ
জয়যাত্ৰীৰূপা,

বাৰে বাৰে কবিয়ে ভয় খাই অসমত বিভিন্ন সময়ত বিভিন্ন ঠাইৰ পৰা বিভিন্ন লোক আহি অসম ভৰি পৰা ৰূপটো দেখি। তেওঁ ভাৱে নীলাচলো হ'ব পাৰে শত্ৰুৰ হাতত পুনৰ সৰ্বহাৰা। দেশ আৰু জাতিৰ দুৰ্দশাই কবিৰ মনত ক্ষোভৰ সৃষ্টি হৈছে। সেয়েহে কবিয়ে অসমীয়া যুজাৰুক সাৰধান বাণীৰে বাৰে বাৰে সোঁৱৰাই দিব বিচাৰে— সৌৱা, শৰাইঘাট

প্ৰশস্ত, নিমাত .....

কবিয়ে সদায় এক সবল আশা পোষণ কৰে। মাতৃভূমিক সুন্দৰ ৰূপত পাবলৈ কবি বৰ উত্ৰাৱল হৈ পৰে। মাজে মাজে আকৌ গৰ্ব কৰে অসমীয়া ন-যুঁজাৰুৰ ত্যাগৰ বলীদান দেখি। নবীনৰ তেজ-পানী পাই ন-যুঁজাৰুৰে মূৰ দাঙি উঠে। সেই ন-যুঁজাৰুক ধ্বংসমুখী অসমীয়াক বচাবলৈ কাতৰ অনুৰোধ কৰিব।

নতুন দিনৰ অসমীয়া
যুগে যুগে হ'বি তই শৰাইঘটীয়া .....

দেশৰ ৰাজ প্ৰতিনিধি সকলৰ খোৱা-কামুৰা, খকুৱা স্বভাৱটো দেখিও কেতিয়াবা কবিজন উত্তেজিত হৈ পৰিছে। জনতাক চল-চাতুৰীৰে গঠ-প্ৰৱঞ্চনা কৰা এচাম গাদী দখলকাৰীক উদ্দেশ্যি কবিয়ে কৈছে—

জনতাক ভৰা চল-চাতুৰীৰ
আলাসতে গজা কোৱা ভাতুৰীৰ
স্বৰূপে ওলাই গ'ল
তই হাতে হাতে পাবি ফল
হেৰ' খকুৱাৰ দল .....

কবিয়ে শিল্পীৰূপত অসমীৰ বুকুত জন্ম লৈ ন-ন সৃষ্টিৰে এখন সোনোৱালী দেশৰ সপোন ৰচিছে— সেয়ে তেওঁ কৈছে—

শিল্পী মই তিনিও কালৰ
অতীতৰ, বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ। ■

## লিমাৰিক

**হাছিনা মমতাজ,** নগাঁও

(১)
ধুৰন্ধৰে প্ৰমানবোৰ দিয়ে ফু মাৰি।।
দুখীয়াই কৰিলে নাম পায় চুৰি।।
লাগি যায় হেণ্ডকাফ।
নাই কিন্তু কোনো মাফ।
মন্ত্ৰী, আমোলাৰ চলি থাকে গোপন
কেলেংকাৰি।।

(২)
হুচিয়াৰ নাগৰিকৰ ক'লাধনৰ পাহাৰ।।
ভয় নাই ভয় নাই যদিও আছে তিহাৰ।।
বুজা বুজি চলি যায়।
মুদ্ৰাহে স্ফীত হৈছে হায়।
জনতাই চিঞৰিয়েই আছে, পিছে
সকলো অসাৰ।।

(৩)
বৰলা কাইৰ মনত বাজিছে পিৰিতিৰ
ঢোল।।
চেনিমাইৰ কথা ভাবি মন উগুল থুগুল।।
সৰি শেষ ডালিম গুটি।
গাখীৰত সিজাই খাই ...
প্ৰেমৰ গীত গাই দুয়ো হৈ থাকে
মচগুল।। ■

## মৰাণৰ খোজ

**সতীশ চুতীয়া**

মৰাণ অসমৰ অন্য একোণ
জাতীয় জীৱনৰ অন্য এক দাপোণ।

মৰাণ
চাওলুং চ্যুকাফাৰ সমন্বয় ক্ষেত্ৰ
বদৌচা ৰাজ্যৰ ৰাজধানী ক্ষেত্ৰ

ইয়াতে উদ্‌যাপিত হৈছিল
স্বদেশ প্ৰেমৰ অলেখ উৎসৱ

ইয়াত যোগ হয়
জাতীয় চেতনাৰ নতুন অংক
বিয়োগ হয়
দুষ্কৃতিৰ অন্য ৰাশি

মৰাণৰ শিলালিপিত
খোদিত হয় সময়ৰ অনন্য ইতিহাস

মৰাণ, সম্প্ৰীতিৰ মিলন তীৰ্থ
হাতে হাতে বৰ্ণময় ৰামধেনু

মৰাণত উদয় হয় প্ৰতিপদৰ জোন
মৰাণতে উন্মোচন হয়
সুজলা-সুফলা বৃহস্পতি দিন। ■

# কাব্যপ্ৰাণ চুজাউদ্দিন আহমদৰ জীৱন

প্ৰথম পৃষ্ঠাৰ পৰা

ধৰে। তেওঁ ১৯৫১ চনত অসমৰ সমাজবাদী দলত যোগদান কৰে আৰু শ্ৰমিক আন্দোলনত জড়িত হৈ গোলাপ বৰবৰা আৰু নিবাৰণ বৰাৰ সৈতে কাৰাবাস বৰণ কৰে। 'ৰাজনীতি কৰা'ৰ অপৰাধত ন্যস্ত স্বাৰ্থৰ ষড়যন্ত্ৰৰ বলি হৈ চেনাইৰাম হাইস্কুলৰ পৰা আঁতৰি আহিব লগীয়া হ'ল। কিছুদিন পিছত বিশিষ্ট জননেতা প্ৰাক্তন বিধায়ক ভদ্ৰেশ্বৰ গগৈয়ে নিজে প্ৰতিষ্ঠা কৰা টিংখাং উচ্চ ইংৰাজী বিদ্যালয়লৈ তেখেতক শিক্ষকৰ পদ দি মাতি আনে। শিক্ষকতাৰ জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত তেওঁ মৰাণত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। মৰাণৰ নিজা বাসগৃহত থকা তেওঁৰ ব্যক্তিগত পুথিভঁৰালটো বহুতো আপুৰুগীয়া পুথিৰে পূৰ্ণ; ইংৰাজী, অসমীয়া, বাংলা, হিন্দী আদি কেইবাটাও ভাষাৰ অনেক অমূল্য গ্ৰন্থৰ ই ভাণ্ডাৰ। এই সকলো গ্ৰন্থৰে সৈতে ব্যক্তিগত পুথিভঁৰালটো 'চুজা-চুফিয়া ৰাজহুৱা পুথিভঁৰাল' নামকৰণেৰে ৰাইজৰ ব্যৱহাৰৰ বাবে তেওঁ দান কৰি থৈ যায়।

অসমৰ কাব্য জগতত 'মহিমৰ চিঠি' (১৯৭৩ চন) নামৰ গ্ৰন্থৰে আত্মপ্ৰকাশ কৰা চুজাউদ্দিন আহমদদেৰৰ দ্বিতীয়খন গ্ৰন্থ 'এৰা বাটৰ সুৰ' প্ৰকাশ পায় ১৯৯০ চনত। তাৰোপৰি অসংখ্য কবিতা, নানা ধৰণৰ তত্ত্বগধুৰ প্ৰবন্ধ-পাতি বিভিন্ন পত্ৰ-পত্ৰিকা, কাকত-আলোচনী প্ৰকাশ কৰি অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে। সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে 'সুমন কবিচক্ৰ'ই তেখেতক ১৯৯৭ চনত 'কাব্যপ্ৰাণ' উপাধি প্ৰদান কৰে। 'কল্পদ্ৰুম কাব্যগোষ্ঠী'য়ে তেখেতক ১৯৯৯ চনত 'সদস্য মহীয়ান' আৰু অসমৰ জনপ্ৰিয় কাব্যগোষ্ঠী 'কাব্যশ্ৰী'য়ে ২০০২ চনত 'কাব্যশ্ৰী' ৰূপে সন্মান প্ৰদান কৰে।

১৯৫০ চনত 'বামধেনু'ত হেম বৰুৱাৰ 'মমতাৰ চিঠি' নামৰ কবিতা প্ৰকাশ পায়। অলপ দিনৰ পাছত সেই কবিতাৰ প্ৰত্যুত্তৰ হিচাবে ৰচিত চুজাউদ্দিন আহমদৰ কবিতা 'মহিমৰ চিঠি' প্ৰকাশ পায়। তেওঁৰ একমাত্ৰ প্ৰকাশিত কবিতা পুথিখনৰ নামো 'মহিমৰ চিঠি' (১৯৭৩)। মহিমৰ চিঠিত প্ৰকাশিত হোৱা তেইশটা কবিতাৰ উপৰি বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত কবিতাসমূহ প্ৰদীপ গগৈয়ে ২০০৫ চনত সম্পাদনা কৰি প্ৰকাশ কৰা 'কাব্যপ্ৰাণ চুজাউদ্দিন আহমদৰ ৰচনা সম্ভাৰ'ত সন্নিবিষ্ট হৈছে।

চুজাউদ্দিন আহমদৰ কবিতাসমূহত নব্য মানৱতাবাদ আৰু আন্তৰ্জাতিকতাবাদৰ সুৰ শুনিবলৈ পোৱা যায়। তাৰোপৰি তেওঁৰ কবিতাসমূহৰ ছত্ৰে ছত্ৰে এখন শোষণহীন-শ্ৰেণীহীন আধুনিক সমাজ গঢ়াৰ সপোন বিৰাজমান।

ইতিহাস হ'ব অভিনীত আকৌ এবাৰ --  
সেইদিনা আমাৰ দুৰ্বাসা চকুৰ কোপানলত  
কুবেৰ দলৰ সাঁচি থোৱা বোধিদ্ৰুমৰ খৰি  
পুৰি ছাই হৈ যাব। মৰিশালিৰ শুকান হাড়ৰ পৰা  
ওলোৱা ধনগুলৈৰ জুই-পোহৰত আমি দেখা পাম  
নতুন পৃথিৱীৰ সেন্দূৰীয়া ৰাজপথ --

অনাগত শিশু আৰু নতুন শিশুৰ দলৰ ওপৰত কবিৰ আছে গভীৰ বিশ্বাস। নতুন শিশু দলৰ প্ৰাণত কবিয়ে ভগীৰথ-জল ঢালি দি উদ্বুদ্ধ কৰিব। কবিয়ে আশা কৰে পৃথিৱীক আৰু সুন্দৰ আৰু মনোহৰ কৰি তুলিবৰ বাবে, নিবিড়ভাৱে মানুহক ভাল পাবৰ বাবে, সমাজৰ তথাকথিত অস্পৃশ্য দলক নতুন পথৰ সন্ধান দিবৰ বাবে নতুন শিশুৰ দল আগবাঢ়ি আহিব।

নতুন প্ৰাণৰ ভগীৰথ-জল আমি ঢালি দিম  
পৃথিৱীৰ অনাগত শিশু দলৰ প্ৰাণে প্ৰাণে --  
তাৰেই পৰশ লভি আগবাঢ়ি যাব  
আৱৰ্জনাৰ উলুবনি বন গছকি -- নতুন শিশুৰ দল  
পৃথিৱীক আৰু সুন্দৰ, আৰু মনোহৰ কৰি  
তুলিবৰ বাবে -- মানুহক আৰু সূক্ষ্মভাৱে,  
আৰু নিবিড়ভাৱে ভাল পাবৰ কাৰণে --  
সমাজৰ 'অস্পৃশ্য' দলক নতুন পথ  
দেখুৱাবৰ বাবে --।

কবি চুজাউদ্দিন আহমদৰ কবিতাত অসমীয়া গ্ৰাম্যজীৱনৰ ছবি স্পষ্ট ৰূপত ফুটি উঠাৰ লগতে ব্যক্ত হৈছে খেতিয়ক ৰাইজৰ দুৰ্দশাৰ জীৱন।

ভোগমন ৰূপহীৰ মিলনৰ  
মধু লগনত --  
মাটিৰ মালিক আহি ভঁৰাল উদং কৰি  
কপালৰ ঘাম মচি শ্ৰমৰ বলত পোৱা  
ভোগাইৰ ধনৰ থলী কাঢ়ি লৈ গ'ল --

ভোগমন ৰূপহীৰ সপোনৰ ৰংঘৰ ভাগি চুৰমাৰ হোৱা কাহিনী কোনো কালে পুৰণি নহয়; যুগে যুগে দিহিঙৰ পাৰৰ মাটিত জুহালৰ কাষ চাপি নাতি ল'ৰাই আইতাৰ মুখৰ পৰা এনে সাধু শুনে।

গ্ৰাম্যজীৱনৰ ছবিয়ে তেওঁৰ কবিতাত সোণত সুৱগা চৰোৱাৰ দৰে আন্তৰ্জাতিকতাবাদৰ প্ৰবাহে তেওঁৰ কবিতা কৰি তুলিছে মহিমামণ্ডিত --

বেথেলহেমৰ ঘোঁৰাশালত বা কপিলাৱাস্তুৰ ৰাজপ্ৰাসাদত  
নতুবা গুজৰাটৰ পোৰবন্দৰত,  
ব্ৰেজিলত বা বেলজিয়ামত --  
কানাৰী বা কেনবেৰাত,  
এচিয়া মাইনৰ বা পলিনেছিয়াত --  
অথবা  
আৰবৰ মৰু প্ৰান্তৰত  
য'তেও হওক, অভিযোগ নাই আমাৰ অকণো।  
মাথোন জন্ম হওক মানুহৰ --  
যাৰ সেউজীয়া কণ্ঠত

শতাব্দীৰ শেষ প্ৰান্তৰত ঠিয় হৈ পাৰ হৈ যোৱা দিনবোৰ লেখি লেখি কবিয়ে নতুন দিনৰ সপোন দেখে। পিছ দুৱাৰেদি সংস্কৃতিৰূপীৰ ভেশ ধৰি দুষ্কৃতিয়ে প্ৰৱেশ কৰিলেও, অনাটন অনশন হাহাকাৰে দুৰ্ভগা দেশক ঘেৰি ধৰিলেও, কবিয়ে উদগ্ৰ আশাৰে উদ্দাত্ত কণ্ঠেৰে ক'ব পাৰে --

গাবই লাগিব আমি নতুনৰ জয়গান  
অতীতৰ কবৰৰ গৰ্ভ বিদাৰি  
হ'বই লাগিব আমি সমবেত  
একেখনি আকাশ তলত  
নৱ নৱ সৃষ্টিৰে নৱ নৱ আলোক শিখাৰে  
আমিয়ে আনিব লাগিব এইখনি দুৰ্ভগা দেশলৈ  
সূৰুযৰ নতুন পোহৰ  
আমিয়ে কৰিব লাগিব  
দুষ্কৃতিৰে ভৰা এই পৃথিৱীৰ  
ন-সূৰুযৰ নৱ আলোকেৰে আলোকময়।

বানপানী সদায়ে নাথাকে। এবেলি বানে আহুধান মাৰি শেষ কৰিলে বুলিয়ে হতাশ হ'বৰ প্ৰয়োজন নাই। আকৌ আহিব নতুন দিন, নতুন বিহুৱা দলে প্ৰাণখুলি পৃথিৱীৰ বিহুতলি বিয়পাই গাব, --

এইবেলি আহুধান পানীয়ে মাৰিলে  
আৰু বেলি আহুধান পাম।

কবি স্বপ্নদ্ৰষ্টা। কবিয়ে সপোন দেখে যুগান্তৰৰ; সমাজৰ যত কলংক কালিমা, শতিকাৰ পুঞ্জীভূত আৱৰ্জনা বিপ্লৱৰ মহাগ্নি শিখাৰে প্ৰজ্বলিত কৰি তেওঁ নতুনৰ উজ্জ্বল দিনক জনায় আহ্বান; -- কাৰণ তেওঁ যে এই অগ্নিগৰ্ভ পৃথিৱীৰ সনাতন আগ্নেয় সন্তান। তেওঁৰ প্ৰতিটো কবিতাতে একোটা মেছেজ বা বাৰ্তা আছে; -- সেই বাৰ্তা পাঠকৰ হৃদয়লৈ প্ৰক্ষেপ কৰোঁতে তেওঁ যি আংগিকৰ সহায় লৈছে সেই আংগিকে তেওঁৰ কবিতাক কৰি তুলিছে ৰসোত্তীৰ্ণ। ■

প্ৰথম পৃষ্ঠাৰ পৰা

## চুজাউদ্দিন আহমদদেৰৰ প্ৰতি শ্ৰদ্ধাৰে

১৯৮৭ চনত অৱসৰ গ্ৰহণ কৰে।

চুজাউদ্দিন আহমদ আছিল মাটিৰ মানুহ। জনগণৰ প্ৰাণৰ বুজ লৈ ভালপোৱা মানুহজনে কবিতা লিখিছিল। খাটি খোৱা মানুহ আছিল তেখেতৰ কবিতাৰ প্ৰধান উপজীব্য। অসমীয়া আৰু ইংৰাজী সাহিত্যৰ গভীৰ দখল থকা কবি গৰাকীৰ চৰিত্ৰৰ এক অন্যতম বৈশিষ্ট্য হৈছে — তেখেতৰ প্ৰখৰ স্মৃতি শক্তি। তেখেতৰ প্ৰিয় কবিৰ কবিতাসমূহ যিমানেই দীঘল নহওক লাগিলে সুন্দৰভাৱে গদ্ গদ্ কণ্ঠেৰে আবৃত্তি কৰি মানুহক চমক খোৱাব পাৰে।

'সদৌ অসম কবি সন্মিলন'ৰ প্ৰতিষ্ঠাত তেখেতৰ অনবদ্য আৱদান আছে। জনতাৰ কবি, পথাৰৰ কবি ৰূপে খ্যাত ৰাম গগৈৰ সবল নেতৃত্বত জন্ম লোৱা 'সদৌ অসম কবি সন্মিলন'ৰ প্ৰথমে উপ-সভাপতি আৰু পিছলৈ সভাপতিৰ আসন অলংকৃত কৰা কবি আছিল চুজাউদ্দিন আহমদ। বামপন্থী- সমাজবাদী আদৰ্শত বিশ্বাসী চুজাউদ্দিন আহমদৰ আছিল সমাজৰ দুখীয়া নিচলাজনৰ প্ৰতি গভীৰ দৰদ। নিজেও সৰল জীৱন-যাপন কৰিছিল আৰু কোনোদিনে চুট-টাই পিন্ধাৰ চখ কৰা নাছিল।

কবি গৰাকীৰ কাব্যত আছে — শক্তিশালী শব্দৰ ঝংকাৰ। তেখেত কেৱল এজন কবিয়েই নাছিল। 'ইন্‌ক্লাব' নাটক ছাত্ৰাৱস্থাতে ৰচনা কৰিছিল। 'দিহিং আজিও বয়' নামেৰে ছায়া নাট লিখিছিল। অসমীয়া সাহিত্যত তেখেতেই ছায়ানাটৰ সংযোজন ঘটাই। তেখেতে প্ৰবন্ধ, গল্প আদিও লিখিছিল।

বহুবোৰ গুণৰ অধিকাৰী চুজাউদ্দিন আহমদে কিছু পলমকৈ বিয়া কৰাইছিল— মৰাণৰে এগৰাকী শিক্ষিতা ছোৱালীক। নাম— চফিয়া খাতুন 'মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়'ৰ এগৰাকী শিক্ষয়িত্ৰী আছিল। তেখেতৰো বিয়াৰ বয়স তেতিয়া প্ৰায় ভাটি দিছিল। নিঃ সন্তান হ'লেও তেখেতসকলৰ বৈবাহিক জীৱন সুখৰ আছিল। চুজাউদ্দিন আহমদদেৰে সভা-সমিতিবোৰলৈ যাঁওতে পত্নীকো প্ৰায়ে লগত লৈ গৈছিল। দুয়োজনৰ মাজত গভীৰ বুজা-পৰা আছিল।

প্ৰজ্ঞাৰ সাধকজনৰ সংগৃহীত গ্ৰন্থৰে তেখেতে এটা ৰাজহুৱা পুথিভঁৰাল ৰাইজলৈ উৰ্চগা কৰি গ'ল। পুথিভঁৰালটিৰ নাম 'চুজা-চফিয়া ৰাজহুৱা পুথিভঁৰাল'। ৰাইজে পুথিভঁৰালটি মৰমেৰে ব্যৱহাৰ কৰিলে তেখেতৰ আত্মাই শান্তি পাব। এইজন চুজাউদ্দিন আহমদ আছিল— নিয়মানুবৰ্তী, সময়ানুবৰ্তী। তেখেতে নিশা বিচনালৈ যোৱাৰ আগতে এখন ফলিত চক্ পেঞ্চিলেৰে পিচদিনা তাৰিখটো আৰু বাৰটো লিখি বিচনাৰ কাষত থকা সৰু মেজখনত সদায় ৰাখিছিল যাতে পিছদিনা শুই উঠিয়ে কি তাৰিখ, কি বাৰ জ্ঞাত হ'ব পাৰে। যোৱা ২০০৫ চনৰ ১ এপ্ৰিলৰ নিশাও শোৱাৰ আগতে তেখেতে ২ এপ্ৰিল ....... বাৰ বুলি লিখি থৈছিল যদিও সেই ফলিখন দেখা পোৱাৰ আগতেই তেখেত চিৰ কালৰ বাবে টোপনি গ'ল। চফিয়া বাইদেউ অকলশৰীয়া হৈ পৰিল। তেনেকৈয়ে ২০১৬ চনত চুজাউদ্দিন আহমদৰ মৰমৰ পত্নীগৰাকীয়েও ইহ-সংসাৰ ত্যাগ কৰি স্বামীৰ কাষ পালেগৈ। এটি সুন্দৰ যুটিৰ পৰিসমাপ্তি ঘটিল। আৰ্তজনৰ বাবে কবিতা লিখা, উদাত্ত কণ্ঠেৰে বক্তৃতা দিয়া, গৰগবীয়া মাতেৰে আবৃত্তি কৰা চুজাউদ্দিন আহমদদেৰৰ ত্ৰয়োদশ মৃত্যু-বাৰ্ষিকীত তেখেতৰ বিদেহী আত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ। ■

## তেজিমলা

**অৰূপ কুমাৰ বৈশ্য**
বাইহাটা চাৰিআলি



উশাহ এটা টানি আনি
তাই জীয়াই আছিল,
মাহী মাকৰ ঢেকীৰ খুন্দাত
তাইৰ সপোন ভাগিছিল।

বাৰীৰ পিছত তাই
এতিয়াও উচুপি উঠে,
এটি কোমোৰা হৈ
তাই মোক দেখা দিয়ে,
তাইৰ শেলুৱৈ ধৰা সপোনবোৰে
মোক আজিও আমনি কৰে।

তাই জৰা গৈ লাগে,
পদুম হৈ ফুলে,
শালিকী হৈ উৰা মাৰে
সেই বণিজ কোঁৱৰৰ কাষলৈ।

গৰখীয়া অ'
নবজাবি চোন আৰু বাঁহী
তেজিমলা সাৰ পাব,
নহ'লে মাহী আইয়ে বেজাৰ পাব
আৰু এটা সাধু শেষ হ'ব। ■

## ইৰাবতীৰ পাৰৰ ইয়াণ্ডাবু মই

**জুমি ভূঞা বৰা,** নগাঁও

বুৰঞ্জীৰ পাতত থাকি যায়
বহু শব্দ সাক্ষী বহন কৰি,
যিদৰে আছিল কমাৰৰ গাঁও এখনি
ইয়াণ্ডাবু নাম ধৰি।

ইৰাবতীৰ তীৰৰ প্ৰকৃতিৰ মাজত
শান্তিৰ বাৰ্তা লৈ,
লগ হৈছিল ইংৰাজৰ কেম্পবেল
মহা-মিলন লা কিয়' টিন' লেগাইৰ ব্ৰহ্মৰ হৈ

যৱনিকা পৰিছিল 'মানৰ দিনৰ'
যি বৰ্বৰ অধ্যায় এক,
গণনাৰো অধিক মান সেনাৰো
জীৱন হৈছিল শেষ।

উদয় কৰিছিল ৰাণীৰ শাসন
বদনৰ ক্ষমতা সনাহী মনে,
আৰকাণ টেনাছেৰিম ছেলৰিন উপত্যকাৰ
লগত
মণিপুৰ অসমো লৈছিল বুদ্ধিৰে।

অন্তগামী হৈছি চুক্যাফাৰ দেশৰ
পূৰ্বে উদিত ভানুৰ কিৰণ,
ইয়াণ্ডাবুৰ ভূমিতে পুনৰ অসমৰ
ভৱিষ্যত হৈছিল প্ৰহসন। ■

## বাৰিষাৰ কবিতা

**সৃষ্টি বকুল বিনীতা**

(ক)
গছবোৰ ভাইতকৈও
আপোন সহোদৰ
এই যে নিশাহ চোলাটো সলাই
উশাহটো পিন্ধো
আৰু জীৱন চকৰিত
ক্ষণে ক্ষণে ঘুৰো।
(খ)
গছবোৰে কথা ক'ব পৰা হ'লে
নিলাজ মানুহবোৰে লাজ পালেহেঁতেন...
মোৰ মোৰ বুলি চিঞৰি থকা
কাঠৰ পীৰাখন প্ৰকৃততে কাৰ
কাৰ বোকোচাত উঠি মানুহবোৰে
ভেকুলী বুকু ফিন্দাই ফুৰে।
(গ)
বতাহত কঁপিছে গছৰ ওৰণি
খহিছে পাতৰ সেউজী ধৰণী
যেনি তেনি যান্ত্ৰিক আয়োজন
কোনেও নেদেখে অৰণ্যৰ চকুপানী। ■

## জোন

**জিণ্টু বৰা**
ধলাজান যোৰহাট

মৰ আউসী কোলা এৰি
উঠি আহে

ধেনুভিৰীয়া হৈ
ভাগৰুৱা জোন

শেতা চাৱনি এটাৰে
জোনাকক নিচুকাই
লয়লাস ভংগীমাৰে
নামি আহে
পাহাৰ এটা নামনিয়ে

ডাৱৰৰ ৰিহাখন খহে

শুভ্ৰ কোমল শৰীৰত
উথপ থপ ৰূপালী নৃত্য

কি যাদু
ভুৱন ভোলোৱা
চকু ছাট মৰা ছালনা

মুখৰ পোহৰত ফৰকাল
হাঁহিটো কেনে চক্ৰান্তকাৰী

ঈষাৎ হালধীয়া জোন

অন্তিম প্ৰহৰত কামনা নৈত
ভাহি উঠে জোনৰ মুখ। ■

## অহাৰ পথেৰে গ'লাগৈ আঁতৰি

**মনালিছা নেওগ,** গুৱাহাটী

শেৱালীৰ সুবাসেৰে
আমোলমোল শৰতৰ পদুলি
নিয়ৰসিক্ত দুবৰি গছকি আহিছিলা তুমি
আহিয়েই বিলাই দিলাহি এমুঠি সুগন্ধি
শেৱালি
কিয় বাৰু সুধিলাহি আছোনে মই সুখী?

ফাগুনী পলাশৰ ৰঙা ৰং...
বুকুত যে ফুলে বসন্তৰ মৰম...
বুকুৰ মৰমবোৰ বৈ যায়...

আজি যে কেৱল তোমাকে ধিয়াই
শৰতৰ পথেৰে আহি
এবুকু আলসুৱা মৰম দিলাহি
বসন্তৰ পথেৰে গ'লাগৈ আঁতৰি
অহাৰ পথেৰে গ'লাগৈ আঁতৰি
অহাৰ পথেৰে উভতি গ'লা তুমি। ■

## ব'হাগৰ উতলা

**স্নেহাজোনাক দত্ত,** যোৰহাট



ফাগুনে চুই যোৱা
ব'হাগৰ কুমলীয়া
গছে-পাতে ৰিবি ৰিবি মলয়া
কুউ.. কুউ..
কুলিটিৰ মৌ-মিঠা মাতত
সাজোন-কাচোন
হৃদয়ৰ উতলা
পৃথিৱী নৃত্যৰতা
ঢোল-পেঁপা বাজে
যুৱীয়া আঁহতৰ তলত
গাঁৱৰ পথাৰত
চৌদিশে নতুন
ব'হাগৰ উতলা সপোন
মোৰ শইচৰ পথাৰতো
সজাল সজাল
সৃষ্টিৰ সপোন। ■

## পোকে খাই চিৰাচিৰ কৰা মদৰুৱা পৃষ্ঠা

**প্ৰাঞ্জল বৰা,** যোৰহাট

এসময়ত যৌৱনে আৱৰা আখৰবোৰত
এতিয়াও পুৱণি মদিৰাৰ ৰাগি।

"পুৱাই যুৱীয়া শালিকা
তেওঁ অহাৰ আশা নদীৰ ঘাটলৈ........"

পিছৰ শাৰী অস্পষ্ট
জীৱন দিনলিপিৰ জৰাজীৰ্ণ পাত। ■

## আৰ্ত জননীৰ কৰুণ বিননি

**ৰাজু কুমাৰ মেচ**
ডিমৌ, শিৱসাগৰ

পুত্ৰহাৰা, স্বামীহাৰা, দুৰ্ভগীয়া নাৰীৰ
ভগ্ন হৃদয়ৰ কুৰণ বিননি
শুনিবনে এচাম মনৰৰূপী দানৱে?
শুনিবনে তেনে ৰক্তপিপাসু ঘাতকে
শোকাকুল নাৰীৰ আৰ্তনাদ।
মানুহৰ শোণিতেৰে ৰঙৰ ফাঁকু খেলি
নিজৰ মিছা বীৰত্বৰ পৰিচয় দিয়া
কোন সেই নৰাধৰ।
দেশৰ মাটিত আপোন মানুহক
হত্যা-লুণ্ঠন কৰি ৰংচোৱা
সেই সকলক ভগৱানে জানো ক্ষমা কৰিব।
দুৰ্নীতিৰ পাহাৰ গঢ়া
দুৰ্নীতিকাৰীৰ শিলাময় হৃদয়ত
বিচাৰি পোৱা যায় দুৰ্নীতি মূল শিপাডাল
পশুতকৈও অধম সেইসকলৰ আচৰণ
শিলতকৈ কঠিন তেওঁলোকৰ হৃদয়। ■

## বিষাদৰ ছাঁ

**বিনন্দ বৰুৱা**
চৰাইপুং

তোমাক হেৰুৱাৰ পিছত
বুকুৰ নীলাৰ আকাশত
বৈ গ'ল
এটি অবুজ বেদনা
খোদিত হ'ল বুকুৰ বিষাদৰ গান
জীৱন হৈ পৰিল
শেষ হ'ব নুখুজা দুখৰ গল্প।।

## ৰক্তবীজ

**শুভাকৰণ কোহাঞি**

মই এটা ৰক্তবীজ
শক্তিশালী ৰক্তবীজ
মোক নিৰিক্ষণৰ বাবে
বিজ্ঞানাগাৰৰ জাৰত
সোমাৱাই নথবা
অথবা
মোক সংৰক্ষণ কৰিবৰ বাবে
কোনোবা যাদুঘৰৰ
'চৌ-কেছত' সোমোৱাই নাৰাখিবা

মোক মাটিত মিহলি হৈ যাবলৈ দিয়া;
ৰক্তবীজৰ পৰা বৃক্ষ হব।
বৃক্ষত হাজাৰ হাজাৰ বীজ সৃষ্টি হ'ব
শ্যামল হব ধৰণী
ধৰণীক শ্যামল কৰিবলৈকে
মোক নিঃশেষ হৈ যাবলৈ দিয়া। ■

## আঁত হেৰুওৱা নৈ এখনিৰ কথাৰে

**হৃদয় মৃণাল**

আকাশ খনেহে জানে
গতিৰ আঁত হেৰুওৱা নৈখনে
নিশা কেইপ্ৰহৰ উজাগৰে থাকে।

আকাশৰ মাতত
চক্ খাই উঠে মাটি
কিয়নো আকাশে মাটিৰ কাষত আহি সুধে
'নৈখনিৰ উচুপনিত নিগৰা চকুলোত
কিমান লুণীয়া বেদনাৰ গোন্ধ আছে?'
মাটিয়ে একো বুজিব নোৱাৰি
উত্তৰ বিচাৰি
মাথোঁ নিৰোত্তৰ হৈয়ে ৰয়।

ডালৰ পৰা সৰি পৰোঁ
দেহত হালধীয়া বৰণ ধৰা
পকা পাতবোৰে নিজ দুখ বিষাদ
হাতৰ মুঠিত খামুচি ধৰি
নৈখনিৰ দুখত হুমুনিয়াহ কাঢ়ে
অকালতে আঁত হেৰুওৱা দেখি।

আনপিনে নৈ খনে
অতীত স্মৃতিবোৰ তেজে তেজে বৈ হোৱা
উশাহৰ সুবাসবোৰ মচি
সহজতে নতুন বাটে কৰিব নিবিচাৰে গতি
কাৰণ এই নৈ খনি যে
গাঁৱলীয়া উশাহৰ মাজেৰে গজি উঠা।

এতিয়া নৈ খনে
তাৰ চোতালৰ সেওঁতাত
নতুনকৈ তুলসী এডাল গজিব বুলি
কোনো পূৰ্ণিমাৰ জোনাক নিশাতো
সপোন দেখিবলৈ হাবিয়াহ নকৰে। ■



## সম্পৰ্ক

**নয়ন লৃগাং**, মাজুলী

নৈখন পাৰ হ'বলৈ
তোমাক বিচাৰো
সিপাৰে তুমি
এইপাৰে মই
এডাল সাঁকো গঢ়িম
মোৰ বুকুৰ পৰা
তোমাৰ বুকুলৈ। ■

## ৰাধা নীলকণ্ঠী

**ভাৰতী চক্ৰৱৰ্তী**

প্ৰথম প্ৰহৰ ৰাত্ৰি
ফুলি আছে চম্পা
হিয়া সৰোবৰত কজলা ঢৌ
মন-বাঁহীত সোঁৱৰণী সুৰ
দুহাতত ছাঁ-ছবিৰ জেতুকা
ৰাধা গুণৱতী তুলি বান্ধে খোপা।
ৰাধা গুণৱতী তুলি বান্ধে খোপা।।

দ্বিতীয় প্ৰহৰ ৰাত্ৰি
ফুলি আছে তগৰ
ওৰণিৰ আঁচলত চকুলোৰ চাকনৈয়া
মৌন ওঁঠত অভিমানৰ হেৰোৱা সপোন
ওপজা ঘৰৰ স্বপ্নবাক বুকুত লৈ
যায় ৰাধা গুণৱতী নধৰে জগৰ।
যায় ৰাধা গুণৱতী নধৰে জগৰ।।

তৃতীয় প্ৰহৰ ৰাত্ৰি
ফুলি আছে যুতি
সোণৰ পালেঙত উচুপে ৰাধা
সুগন্ধি সাজৰ ভাজে ভাজে
অবাধ্য অস্থিৰ বিশৃংখলতা
শূণ্যতাত ছিদ্ৰ বিচাৰি থৰ
এহাল কৰুণ কল্যাণ চকুৰ দ্যুতি
ছৰৈৱতী প্ৰাৰ্থনা লৈ ৰাধা নীলকণ্ঠী
কৃষ্ণক কৰে স্তুতি। ■

## সন্ধিয়াৰ সাগৰৰ পাৰ

**কিংকৰ অৰ্চনা**

সন্ধিয়া সাগৰ পাৰলৈ নাযাবা
সন্ধিয়া সাগৰৰ পাৰলৈ অকলে নাযাবা
বৰ নিসংগ হৈ পৰিবা
জীয়া শিলছটাত নবহিবা
সি তোমাক অতীতৰ স্মৃতি শুনাব
মেঘালী চুলিকোচা নেমেলিবা
সাগৰীয় মলয়াত বাউলি হৈ পৰিবা
সাগৰৰ শব্দ শুনিবলৈ অপেক্ষা নকৰিবা
শব্দৰ উন্মাদনাত কালভুজংগিনী হৈ থিয়
দিব
অচিনাকি চৰাই দুটি তোমাৰ
আগেদি উৰা মাৰিব
হঠাৎ তোমাৰ হৃদয়ত হেঁপাহ জাগিব
সাগৰৰ সিপাৰলৈ যোৱাৰ হেঁপাহ
সিপাৰৰ সোলেং পালেংত
নিদ্ৰাত বিলীন হোৱাৰ হেঁপাহ
তেতিয়াই জলকেলি কৰা
চিনাকি ধুমুহাছাটি আহিব
আৰু তুমি ভয়ত স্পিৰিত হৈ
মোক বিচাৰি হাহাকাৰ কৰিবা
সেইবাবে কৈছো সাগৰৰ পাৰলৈ
অকলে নাযাবা
বৰ নিসংগ হৈ পৰিবা। ■

## কবিতা

**সপোন জ্যোতিপল গোহাঁই**

চাবুৱা

কাল্পনিক কাহিনী এটা গৈ থাকে
বৰ্তমানৰ সমান্তৰালকৈ...।

চৰিত্ৰবোৰ একেই
ভাৱৰীয়াবোৰো একেই
কেৱল সময়ে সময়ে
সলনি হৈ থাকে
জীৱন নাট সংলাপবোৰ

কাল্পনিক কাহিনী এটা গৈ থাকে
জ্ঞাতে-অজ্ঞাতে...।

দৃশ্যপট একেই
পটভূমিও একে
মাথোঁ সলনি হৈ থাকে
কাহিনীৰ কেন্দ্ৰবিন্দু...। ■

## শব্দৰ বৰষুণ

**পদ্মেশ্বৰী বৰা**

মৰিগাঁও



ওৰেটো উজাগৰী নিশা
মোৰ বুকুৰ মাজত পৰিছিল
এজাক শব্দৰ বৰষুণ।

ৰাতিপুৱা সাৰ পাই দেখিলো
মোৰ বুকুত বৰষুণ জাকৰ
কোনো চিন-চাবেই নাই।

মামায়ময় সপোনৰ দৰে
শব্দৰ বৰষুণ জাক
ক'ৰবাত বিলীন হৈ গ'ল।

পৰিশ্ৰমী ৰ'ল মাথোন
শুষ্ক শবদহীন নিৰস বুকুখন
সাগৰ তীৰৰ শামুকৰ খোলাধাৰ হৈ। ■

## ফাগুন

**জ্ঞানদ্বীপ বৰুৱা**, মাহমৰা

চিলা এখন হৈ উৰি আছো আজিও তোৰ বুকুত
তই যে সদায়ে ফাগুন
মলয়া এচাটি হৈ বুকু জোৰ পেলালি
চিগা চিলাৰ হাতৰ সূতাডালে মোক মেৰিয়াই বান্ধিলি
সৰাপাতৰ হালধীয়া বিচাৰি
আজিও মই উভতি যাওঁ
মৰা নৰা বুকুত লৈ
শুইপৰা পথাৰখনৰ দৰেই
গুজি লওঁ ৰঙা বিষাদ এমুঠি
ফাগুন তই সেউজীয়াৰ ঠিকনা হেৰুৱালি
মৌপিয়া এটাই এতিয়া তোৰ ৰঙা খাব নোৱাৰে
তোৰ বাবেই সি মৰি থাকে
তই যে বৰ আপোন আছিলি। ■

## কথা

**ৰাণু বৰুৱা গগৈ**

দুলিয়াজান

কথাবোৰ এতিয়া
কথা হৈ থকা নাই
শিপাৰ আকাৰে বহু
আগুৱালে

কথাবোৰে পোখা মেলিছে
এটি কথাত দুটি হয়
বা তাতোতকৈ বেছি হয়

বাঢ়ি গৈছে কথাবোৰ
সেই বাটেৰে
যি বাটেৰে নালাগে
গতিমান হ'ব
নালাগে কথাবোৰৰ বয়স
বাঢ়িব

কথাবোৰত জড়িত থাকে
ভাৱনাৰ অথবা স্বাৰ্থ
কিন্তু এই কথাৰ নাথাকে
কেতিয়াও
উশাহ অথবা নিশাহ
তথাপিও বাট লয়
শেষ সময়লৈকে।

কথাবোৰ এতিয়া
প্ৰাণৰ ভয়ত অচিনাকি হৈ
থকা নাই

মুখৰ আকাৰলৈ
কথাবোৰ এতিয়া
শ্বাসৰুদ্ধ

কথাবোৰ কথা হৈ
নাথাকিলে
সমাজ থাকিব
অন্যথাই কথাবোৰৰ বাবেই
ভাঙোন নামিব কথাৰ।।■

## কথা

**সত্যজিৎ চাচনি**

কথাবোৰ নিজৰ হৈ থাকিবলৈ দিয়া
কথাবোৰ নিজৰ মতেই হ'বলৈ দিয়া
কথাবোৰ কথা হৈ থাকিবলৈ দিয়া
নক'লে হেৰাই যাব পাৰে
সকলো কথা
তোমাৰ পৰা, মোৰ পৰা অথবা
আমাৰ পৰা
পদুলিলৈ আগবাঢ়ি আহিছে
তেজৰ ঘৰত ওলমিছে
এৰা, শব্দটো বৰ আচৰিত ধৰণে
ডুব থাকিল তেজত। ■